# বিবৰ্ণ বৃদ্ধৰ দৰে

বসন্ত কুমাৰ দত্ত
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ

সভ্যতাৰ শিবিৰত অনৰ্গল
উচ্চাৰিত হৈছে জীৱনৰ জয়গান
বিদগ্ধজনৰ মুখত অথবা মূৰ্খৰ মুখতো
আঁখৈ ফুটাদি ফুটিছে এটি নাম
মন্ত্ৰপূত এই নাম লৈ কতকাল
কতজনে উঠিৰজা বহিৰজা হ'ল
সমস্ত জন্মৰ ইতিহাসত সোমাই আছে
তাৰ জন্ম-পত্ৰিকা
জন্ম মুহূৰ্তৰ পৰাই সকলোৰে
অৱচেতনাত সি বিচৰণ কৰিছে
বিৱৰ্তনৰ পৰিক্ৰমাত দেখিছে
দূৰ্বাৰ হেঁপাহ তাক পাবলৈ
তাবো যে আকুলতা দিব পৰাখিনি
বিপন্নজনক দিবলৈ জাগ্ৰত
প্ৰহৰী হোৱাৰ কামনাৰে
সকলো সময়ৰ বাবে সচেতন
সাহসী সহচৰ হোৱাৰ বাসনাৰে
সেয়া সুদূৰ পৰাহতে ৰ'ল
সঙ্কল্পই বাৰে বাৰে
উজুটি খালে

সঙ্কল্পই কুটিল কুঁৱলীত
বাট হেৰুৱালে
দুৰন্ত ধুমুহাত বিধ্বস্ত বৃক্ষৰ দৰে
ফুল-পাত তাৰ ছিঙি গৈছে
বিস্ময়কৰভাবে ইতিহাসৰ পাতে পাতে
পৰি আছে এই ছবি য'তে ত'তে
আচলতে সি বৰ লজ্জিত
তাৰ এই লাজবোৰ কাৰোবাৰ বাবে
উৎফুল্লিত হৈ উঠাৰ কাৰণো
হব পাৰে
ভয় শঙ্কা অবিশ্বাস এই বোৰেই
সঘন সনাতন আৰু অৱশেষত
সি পৰাজিত অস্তিত্ব
অনুভৱ হৈছে সমগ্ৰ সত্তাৰ সজাত
এটি শব্দহীন শব্দৰ যন্ত্ৰণা
প্ৰতিনিয়ত
বিবৰ্ণ বৃদ্ধৰ দৰে
উদং বুকুৱে বুকুৱে পৰি
খেপিয়াই ফুৰিছে তাৰ
নিজৰেই নিৰাপত্তা। ★

## পোহনীয়া কুকুৰটো

**ৰবীন ৰাভা**
২য় বাৰ্ষিক, স্নাতক মহলা

বেলি ডুব যোৱাৰ মুহূৰ্তত
পোহনীয়া কুকুৰটো অশান্ত
হৈ উঠিছে
দুই তিনিজনক তাৰ জোঙা
দাঁতেৰে কামুৰিছেও
ৰাতিৰ নীৰৱতা আৰু
হাড় কঁপোৱা শীতে তাৰ খং
ক্ৰমশঃ বঢ়াই নিছে
গিৰিহঁতৰ দুহাত দীঘল লাঠীডাল
অনৱৰত তাৰ চকুৰ আগত
নাচি আছে
এইবাৰ সি পৰিকল্পনা কৰিছে
পোহৰ হলেই পুৰণি এই
চৌহদৰ কঠিন বন্ধন এৰি
গুচি যাব। ★

## এনে এক যৌৱন লাগে

**ফণীধৰ বৈশ্য**
১ম বাৰ্ষিক, উঃ মাঃ

এতিয়া আমাৰ প্ৰয়োজন এনে এক
যৌৱনৰ য'ত লুকাই থাকে
অমিত অগ্নিশিখা
অন্ধকাৰৰ আৱৰ্জনা পুৰি
আলোকিত কৰিব পাৰে
অৰ্বুদজনৰ কণ্টকৰ যাত্ৰাপথ
আমাক এনে এক যৌৱন লাগে
যাৰ বুকুত থাকে প্ৰভাতৰ
তেজাল ভাস্কৰৰ অসীম শক্তি
দুৰ্গতিক পান কৰি নীলকণ্ঠ
হ'ব পৰা সাহসী যৌৱনৰ
নিতান্তই প্ৰয়োজন
সেই কণ্ঠত থিতাপি ল'ব
সত্য-শিৱ-সুন্দৰৰ গম্ভীৰ
গায়ত্ৰী মন্ত্ৰ। ★



# আজন্মৰ সহচৰ

জগদীশ ৰাভা
২য় বাৰ্ষিক, উঃ মাঃ

চিনাকি নদীখন অবিৰত বয়
বুকুত এন্ধাৰৰ ঢৌ আৰু
অনাকাঙ্খিত দুখ
বিপন্ন সোঁতত উঠে আজন্ম পিপাসা
তাৰ কৰ্কশ সুৰত বাজে চেতনাৰ
গানৰ সলনি বে-সুৰা
মাতাল গীত
মোৰ ভিতৰে বাহিৰে
ক্ষয়িষ্ণু উত্তাপ
পিয়াপি দি ফুৰে জোনাকীৰ
বিফল বাসনা
কঠিন শিলৰ ৰাতি মই
পৰি ৰওঁ জড় পদাৰ্থৰ দৰে। ★



# এজোপা গছৰ দৰে

নিৰঞ্জন মজুমদাৰ
১ম বাৰ্ষিক, স্নাতক মহলা

ভৰিৰ আঙুলিৰে মাটিত খামুচি ধৰি
হাত দুখন আকাশলৈ তুলি
কঠিন দিনতো মই থিয় দি আছোঁ
প্ৰাচীন এজোপা গছৰ দৰে
নিছিদ্ৰ অন্ধকাৰ আৰু ফৰিংফুটা জোনাকত
ৰ'দ বৰষুণ ধুমুহাকো নেওচি
নিৰ্বিকাৰ হৈ গ্ৰহণ কৰিছোঁ
মোৰ নিজস্ব আহাৰ
মাজে মাজে অনুভৱ হয় মোৰ চৌকাষে
ঘূৰি ফুৰা ধুমুহাৰ আস্ফালন
তেতিয়া জোৰে খামুচি ধৰো মোৰ
আজন্ম চিনাকি মাটিক। ★

# আঘাতৰ পিছতো জীয়াই থাকোঁ

**অৰুণ চন্দ্ৰ বড়ো**
৩য় বাৰ্ষিক, স্নাতক মহলা

চৌদিশে প্ৰতাৰিত কণ্ঠ
বুকুৰ ভিতৰত নোপোৱাৰ বেদনা
লুণ্ঠিতজনৰ উৰ্ধমুখী চাপ
কুঁজা হয় বিকৃতকাৰীৰ
হাতৰ হেঁচাত
হতাশাত ডুব যায় আইতাৰ
মুখৰ জোন
ঘৰ্মাক্ত দেহৰ কেঁচা স্পন্দনত
হেৰায় আঘাতৰ গতিবেগ
সিমানতো জ্বলি থাকে
স্বাধীন পৰাক্ৰমৰ স্ফুলিঙ্গ। ★



# প্ৰেম

**সবিন কুমাৰ বৈশ্য**
২য় বাৰ্ষিক, স্নাতক মহলা

প্ৰেম এজাক ধুমুহা নহয়
আঙুলিৰ মাজেদি সৰকি যায়
নহয় এজাক শিল বৰষুণ
ভাঙি থৈ যায় উকথা পঁজা
প্ৰেম এক কঠিন কলিজা নহয়
ছুৰী মাৰিলেও নোলায় তেজ
ফুলৰ মাজত ই আকাশ
আকাশৰ মাজত কোমল মেঘ
লগ লাগিলেই চমকি উঠে বুকু
হুৰ হুৰাই নামি আহে
কাঁইটৰ আঁচোৰত ৰক্তাক্ত
সাহসী সত্তা। ★

# অকণি জোনাক

দেৱীৰাম বড়ো
১ম বাৰ্ষিক, স্নাতক মহলা

বিষণ্ণ বিয়লিত অকণি সুখৰ
ৰামধেনু সিঁচি থিয় হ'লাহি
জীৱন পটত

তোমাৰ হাঁহিৰে গানৰ সুৰেৰে
জীপাল হ'ল আহত প্ৰাণৰ ছন্দ
শাঁত পৰিল সময়ৰ নিষ্পেষণত
জুৰুলা জীৱন

এতিয়া তোমাৰ অকণি জোনাকেৰে
আগুৱাম অন্ধকাৰ অচিন পথত। ★



# স্বপ্নময়ী বাস্তৱ

বাবুল বড়ো
১ম বাৰ্ষিক, স্নাতক মহলা

দোঁ খোৱা মূৰবোৰ
উৰ্দ্ধমুখী হ'ল হঠাতে
শতাব্দীৰ কদৰ্যতা চমকি উঠিল
হেঁপাহৰ বিচিত্ৰ হাঁহিত
শানিত অস্ত্ৰৰ দৰে বিয়পি পৰিল
স্বাধীনতাৰ গান বঞ্চনাৰ কোঁহে কোঁহে
এতিয়া প্ৰাণ চাঞ্চল্যই ঢাপলি মেলিছে
বিস্তীৰ্ণ আকাশ খিয়াই আৰু
সূৰ্য-শিখাত বিয়পিছে এক
ৰোমাঞ্চক বাস্তৱ। ★

# পেট

**দীপক দাস**
১ম বাৰ্ষিক. স্নাতক মহলা

সকলোৰে পেট আছে সকলোৰে জানে.
তাৰে কিছু কথা কওঁ শুনা মনে মনে।
চৰায়ে পেটৰ বাবে বহু কষ্ট কৰে,
জন্তুৱে তাৰ কাৰণে মাৰ খাই মৰে।
মানুহবো পেটৰ চিন্তাতে দিন যায়,
যদি পায় মাছে মঙহে উগাৰি খায়।
ভাল পেটে ভাল লগায় আৰু দিয়ে ৰং,
বেয়া পেটৰ ভুটুং ভাটাং আৰু তোলে খং।
বাবুৱে খোৱাতেই বহু খৰচ কৰে.
বহুলোকে তাৰ বাবে জেল খাটি মৰে।
পেটক লাগে ভাল খাদ্য আৰু বিশুদ্ধ পানী,
যোগাব নোৱাৰিলে সন্মান হয় হানি।
পেটৰ বাবে অনেকে গোলামীও কৰে,
সিমানতো নিমিলিলে অকালতে মৰে। ★

---

বয়স বাঢ়ি যোৱাৰ লগে লগে পৰিণত হ'বলৈ শিকাটো এটা কঠিন কলা। খুব যত্ন কৰিহে সেই কলা আয়ত্ত কৰিব পাৰি। আয়ত্ত কৰাৰ পিছতো তাক কামত লগাবলৈ অবিৰাম চেষ্টা কৰি থাকিব লাগে। পঞ্চাশ বছৰ বয়সত তোমাৰ জীৱনটোৱে বা তোমাৰ ব্যক্তিত্বই এটা নিৰ্দিষ্ট ৰূপ ধাৰণ কৰে। তাৰ পিছত আৰু তোমাৰ ব্যক্তিত্বৰ বিশেষ একো পৰিবৰ্ত্তন নহয়। পঞ্চাশ বছৰ বয়সত ভৰি দি তুমি যদি অনুভৱ কৰা যে জীৱনটো তোমাৰ ভাল লাগিছে, তেন্তে জানিবা যে তোমাৰ বাকীছোৱা জীৱন, যৌৱনতকৈও বেছি উপভোগ্য হ'ব।

—মেৰিয়া মেনেছ

---

# গান্ধাৰীৰ অভিশাপ

মূল : ধৰ্মবীৰ ভাৰতী
অনুবাদ : মিচ. তুলিকা বড়ো
১ম বাৰ্ষিক, স্নাতক মহলা

তেনেহ'লে পৰি থকা সেই কংকালবোৰ মোৰ পুত্ৰৰ
এই সকলোবোৰ তুমিয়ে কৰিছা কৃষ্ণ

শুনা !
আজি তুমিও শুনা
মই তপস্বিনী গান্ধাৰী
নিজৰ গোটেই জীৱনৰ পুণ্যৰ
নিজৰ পূৰ্ব জনমৰ পুণ্যৰ
শকতি লৈ কৈছোঁ

শুনা কৃষ্ণ !
তুমি বিচাৰিলে পাৰিলাহেঁতেন ৰখিব এই যুদ্ধ
মই এই কংকালবোৰ প্ৰসৱ কৰা নাছিলোঁ
তোমাৰ ইঙ্গিতত ভীমে অধৰ্ম কৰিছিল
তুমি ভীমক সেই অভিশাপ নিদিলা কিয়
যিটো দিছিলা নিৰপৰাধী অশ্বত্থামাক

তুমি প্ৰভুত্বৰ অপপ্ৰয়োগ কৰিছা
যদি মোৰ সেৱাত বল আছে
সঞ্চিত তপস্যাত বল আছে

তেন্তে শুনা কৃষ্ণ !
প্ৰভু অথবা সৰ্বেশ্বৰ
যিয়েই নোহোৱা
তোমাৰ গোটেই বংশ
পগলা কুকুৰৰ দৰে
এজনে আনজনক বিদাৰি খাব
তুমি নিজে তেওঁলোকক বিনাশ কৰাৰ—
কেইবছৰমান পাছত
কোনো ঘন অৰণ্যত
মৰিবা সাধাৰণ ব্যাধৰ হাতত
প্ৰভু হৈয়ো মৰিবা পশুৰ দৰে ।

# গল্প

## অভিযান

মুক্তিনাথ বড়ো
স্নাতক, ১ম বাৰ্ষিক (কলা)

গুৰুম—গুৰুম—গুৰুম! মাত্ৰ তিনিটা গুলিৰ শব্দ! সূৰ্যৰ হাতখন কঁপিছিল আৰু বিষাই উঠিছিল তাৰ বুকুখন। তথাপি বুকু আৰু মূৰত লগা গুলি তিনিটাই সৌৰভৰ জীৱন বন্তি নুমাই দিলে। ... এটা জীৱনৰ অৱসান ঘটিল।

সূৰ্য কোনো পুলিচ বিষয়া নহয়। তথাপি সিয়ে তাক হত্যা কৰিলে। কাৰণ সি অপৰাধী। হত্যা কৰা পাপ। কিন্তু অপৰাধীক হত্যা কৰা তাৰ জীৱনৰ এটা আৰ্ট।

এনেকুৱা বহুতো হত্যাৰে সি তাৰ একুৰি ন বছৰীয়া জীৱনত বহুবাৰ তাৰ হাত ৰঞ্জিত কৰিছে। তথাপি কোনোদিনে তাৰ হাত কঁপা নাছিল আৰু মনটোও 'কেনেবা কেনেবা' যেন লগা নাছিল। কিন্তু আজি তাৰ হাতখন কঁপিছিল আৰু বুকুখন বিষাই উঠিছিল অতি আপোন, অতি মৰমৰ বন্ধুজনক হত্যা কৰি।

সৌৰভ চলিহা ইচ্ছাকৃতভাৱে সমাজবিৰোধী হোৱা নাছিল। এয়া তাৰ আদৰ্শৰ সম্পূৰ্ণ পৰিপন্থী আছিল। তথাপি সি সমাজ-বিৰোধী, আদৰ্শভ্ৰষ্ট! কিন্তু কিয়??

সৌৰভ চলিহাক জানিবলৈ, বুজিবলৈ হ'লে এষাৰ মন্তব্যই যথেষ্ট নহয়। চলিহা সমাজবিৰোধী এই বাবেই যে সি চোৰাং কাৰবাৰী। ইয়াতকৈও জানিবলৈ হ'লে সাঁফৰ মাৰি বন্ধ কৰি থোৱা অতীতক সাঁফৰ খুলি খুচৰি চাব লাগিব। .. সি চোৰাং কাৰবাৰী! সূৰ্যৰ আদৰ্শ আৰু লক্ষ্যৰ পৰা বিচ্যুত হৈ অহা এটা পপীয়া তৰা।

মাক, দেউতাক, ভন্টি, ৰিজু আৰু সৌৰভ—এই চাৰিটা প্ৰাণীৰে এটা সুখী পৰিয়াল। আদৰ্শবান শিক্ষক দেৱব্ৰত চলিহাই অন্তহীন অভাৱৰ মাজতো কোনোদিনে কোনো কাৰণতে আদৰ্শৰ সৈতে আপোচ নকৰে। মাহেকৰ মূৰত পোৱা দৰমহাৰে জোৰা-টাপলি মাৰি ঘৰখন চলাই নিয়ে।

মাক দেউতাকৰ চকুত মায়া জালৰ সৃষ্টি কৰি সৌৰভ ডাঙৰ হৈ আহে চন্দ্ৰকলাৰ দৰে চকুত হেজাৰ স্বপ্ন আৰু বুকুভৰা আশা লৈ। সৌৰভৰ হেঁপাহ এই সভ্য জগতত সি সভ্য মানুহ হিচাপে জীয়াই থাকি সৌৰভ বিলাই যাব।

সময়ে গতি সলালে। সৌৰভৰ জীৱনেও ইতিমধ্যে একুৰি এটা বসন্ত পাৰ কৰিলে। এই-খিনি সময়তে তাৰ জীৱনৰ ওপৰেৰে বহু ধুমুহা বৈ গ'ল আৰু বহু কথা তাৰ মানসপটৰ পৰা মচ খাই গ'ল। কিন্তু সি পাহৰিব নোৱাৰিলে দুটা ঘটনা। সেই দুটা ঘটনাই তাৰ জীৱন নৈৰ কেঁকুৰি ঘূৰাই দিলে। জীৱিকা হিচাপে ল'লে সি চোৰাং কাৰবাৰ।

সিদিনা আছিল সোমবাৰ। মনত অফুৰন্ত আশা লৈ ওলাই যোৱা সৌৰভৰ মুখৰ উজ্জ্বলতা খন্তেকতে ম্লান হৈ গ'ল। সি দেখিলে বগা সাজেৰে সৈতে ক'লা মনৰ সেই অফিচাৰজনক। লগতে অফিচাৰজনৰ অসৎ উদ্দেশ্য পূৰণৰ বাবে কৰা প্ৰচেষ্টাও তাৰ বুজিবলৈ বাকী নাথাকিল। তাক দেখা মাত্ৰকে অফিচাৰজনে ক'লে, "young man, তোমাৰ পাৰ্চেণ্টটো বৰ ভাল।" থিয় হৈ থকা সৌৰভলৈ চাই তেওঁ ক'লে, "Sit down".

সৌৰভে বহিল। অফিচাৰজনে কিছুসময় মনে মনে থাকি ক'লে "young man."

"Sir"—সি চমকি উঠি ক'লে।

"চাকৰি তোমাৰ হ'ব।"

"Thank you, sir."

"কিন্তু এটা চৰ্ত্ত তুমি মানিব লাগিব।"

Sri !" বুলি কৈ সি সেপ্ ঢুকিলে। ৰুমালখন উলিয়াই কপালৰ ঘাম সি মচি ল'লে। সি ভয়াৰ্ত দৃষ্টিৰে চাই থাকিল।

"হেৰা ডেকা ল'ৰা, ভয় কৰিব নালাগে। তেনেই সৰু কথা এটা। তুমি মোক ত্ৰিশ হাজাৰ টকা দিয়া, নহ'লে তুমি মোৰ ছোৱালীজনী "

"Sir"—তাৰ মাত বন্ধ হৈ গ'ল। অফিচাৰ-জনৰ প্ৰতিটো কথাই তাৰ বিবেকক থকা-সৰকা কৰিলে। তাৰ মনত পৰিলে মাটি বন্ধকত থ'বলৈ যোৱা দেউতাকৰ শুকান মুখখন আৰু আগ্ৰহেৰে তেওঁ বিকিবলৈ যোৱা ক'লা দমৰাটোৰ কথা। মনত পৰিলে তাৰ মাকৰ একমাত্ৰ অলঙ্কাৰ কাণফুলযোৰৰ কথা আৰু মাক দেউতাকৰ মুখলৈ একেথিৰে চাই থকা তাৰ একমাত্ৰ ভণ্টী বিজুৰ কথা।

ঘৰখনৰ অন্তহীন অভাৱৰ চিত্ৰখনে তাৰ চিন্তা-শক্তিক বিকল কৰি পেলাইছিল। সি কিংকৰ্তব্যবিমূঢ় হৈ পৰিছিল। সন্মুখত সি দেখিছিল মাথো মহাশূন্য। ...... চাৰিওপিনে কেৱল অনিয়ম, অনীতি।

দেউতাকৰ প্ৰাপ্য পেঞ্চনৰ টকা কেইটা পাবলৈও উৎকোচ দিব লাগে। অথচ এইবোৰ কাম নিয়মিতৰূপে কৰিবলৈ চৰকাৰে অফিচ পাতি দিছে। তেতিয়া হ'লে তেনে কাম কৰাৰ ক্ষেত্ৰত ভেটি কিয় দিব লাগে! মানুহৰ ওপৰত তাৰ মন বিতৃষ্ণাৰে ভৰি পৰিল। হঠাতে শিল এচটাত সি উজুটি খালে। তাৰ সম্বিৎ ঘূৰি আহিল।

পিছপিনৰ পৰা সূৰ্যই ধেমালিৰ সুৰেৰে তাক কিবা ধৰি অহা বুলি ক'লে। সৌৰভে সূৰ্যলৈ

অৱজ্ঞাৰ দৃষ্টৰে ক'লে "এই শিলবিলাকো যে আৰু।" উজুটি খোৱা আঙুলিটো সি পিটিকি চালে। "শিলৰ দোষ ক'ত? দোষ দেখোন তোমাৰেই"—সূৰ্যই ক'লে।

"অ, দোষতো মোৰেই। যাৰ তুসাজ পেট পূৰাই খাবলৈ নাই আৰু যি দিনত আহাৰ খালে ৰাতিৰ বাবে তাৰ চৌকা নজ্বলে, তাৰ কি দৰকাৰ এই জগতত সভ্যভাবে জীয়াই থাকিবলৈ হাবিলাস কৰাৰ। কি দৰকাৰ আছিল ঘৰখন লাও-লোৱা কৰিবলৈ!"— সৌৰভ বৰ আবেগিক হৈ পৰিছিল।

সূৰ্যই তাক বুজিবলৈ ক'লে, "চোৱা বন্ধু, জীয়াই থাকিবলৈ হ'লে মানুহে খাবই লাগিব। কিন্তু দোষ হ'ল সেইসকল মানুহৰ যিসকলে আনৰ তেজ পি খাই জীয়াই থাকে—দোষ সেইসকল স্বাৰ্থপৰ মানুহৰহে।" তাৰ কথাত সৌৰভে সমৰ্থনসূচক ভাবেৰে মূৰ দুপিয়ালে।

"জানা সূৰ্য, ভাল কাম কৰি ভালদৰে জীয়াই থাকিব নোৱাৰাৰ বিপৰীতে যদি বেয়া কাম কৰি ভাল মানুহৰ শৰীৰত খিয় দিব পাৰোঁ, মাছে-মঙহে খাব পাৰোঁ আৰু নিজাকৈ গাড়ী এখন ল'ব পাৰোঁ, তেন্তে মইনো তাকেই নকৰোঁ কিয়??" —এই বুলি কৈয়ে সি তাৰ পৰা আঁতৰি গ'ল। পিছত বহুদিন ধৰি সিহঁত দুয়োৰো দেখাদেখি হোৱা নাছিল।

বহুবছৰ পিছত নাটকীয়ভাৱে এদিন সিহঁত লগলাগি হ'ল। বহুখিনি পৰিবৰ্তনো হ'ল। সিদিনা সৌৰভক চিনেমাৰ নায়কৰ দৰে লাগিছিল। "এৰা সূৰ্য, আহা, চাহ খাওঁ"—এই বুলি কৈ সি জোৰকৈ টানি নিলে সূৰ্যক।

"জানা, মই এটা খানদানী চাকৰি পাইছোঁ—যথেষ্ট টকা।" —সৌৰভে ক'লে।

সূৰ্যই নতুন গাড়ীখনৰ পিনে চকু দিয়াত সৌৰভে আকৌ কৈ উঠিল, "এইখন নতুনকৈ লৈছোঁ,—ব্ৰাণ্ড নিউ। আৰে সাধাৰণভাবে চলিবলৈওতো অন্ততঃ গাড়ী এখন লাগে। তোমাৰ খবৰ কি? চাকৰি পোৱা নাই? আৰে দোস্ত, লাগে যদি দিব পাৰোঁ।"

গৌৰৱেৰে সৌৰভে কথাখিনি কৈছিল। সূৰ্যই কেৱল মূৰ দুপিয়াইছিল। সৌৰভৰ অতীতৰ ছবিখন চিনেমাৰ ৰিলৰদৰে সূৰ্যৰ মূৰৰ ভিতৰত ঘূৰি থাকিল। মুখেৰে সি একো নক'লে। পিছত নীৰৱে দুয়ো নিজ নিজ বাটেৰে গুচি গ'ল।

এদিন সূৰ্যলৈ কমাণ্ডাৰৰ নিৰ্দেশ আহিল—"ড্ৰাগছ ব্যৱসায়ৰ লগত জড়িত থকা এজন ব্যৱসায়ীক নিহত কৰিব লাগে।" আদেশ মতেই কাম। পৰিকল্পিত আঁচনিমতে অভিযান আৰম্ভ হ'ল। মুখামুখি হ'ল দুয়ো। খানদানী চাকৰি কৰা আৰু বহুত টকাৰ অধিকাৰী, বন্ধু সৌৰভ চলিহাক সি দেখা পালে। তাৰ আঙুলি কঁপা সত্বেও সি ট্ৰিগাৰ টিপিলে—গুড়ুম্! গুড়ুম্! গুড়ুম্!

সি এটা হত্যা কৰিলে। পাপ কাম এটা সি কৰিলে। খতম কৰিলে এটি অপৰাধীক। এখন নিকা সমাজ গঢ়াৰ আদৰ্শ আগত লৈ অন্তহীন যাত্ৰাৰে সি গৈ থাকিল।

কোনে জানে কিমান সৌৰভৰ জীৱন তাৰ জীৱন আৰ্টিৰ বুকুত খোদিত হয়??? ☆

# আশা-নিৰাশা

—সত্য শংকৰ নাথ
তৃতীয় বাৰ্ষিক, স্নাতক (কলা)

পাৰ হৈ যোৱা কৈশোৰ আৰু যৌৱনৰ কথা তাই আজি পুনৰ ভাবিছে। ভিতৰুৱা গাঁওৰ পঢ়াশালিত শিক্ষা লোৱা, লোকৰ বাৰীত বগৰী, পনিয়ল খোৱা কথা আদি তাই পাহৰিব পৰা নাই—নোৱাৰে। তাই আজিহে বুজিব পাৰিছে যে মৌজাদাৰৰ ল'ৰা ৰূপমে লীলা, লতিকাতকৈ তাইক কিয় বেছিকৈ পনিয়ল দিছিল। ৰূপম কাকতি তেতিয়া কলেজৰ ছাত্ৰ, গুৱাহাটীত থাকে।

কলেজ বন্ধৰ দিনত ৰূপমে প্ৰায়ে ঘৰলৈ আহে। গাঁওৰ লুংলুঙীয়া বাটেৰে প্ৰায়ে খোজ কাঢ়ি ফুৰে। কেতিয়াবা বিজুলীক লগ পায়। দুয়ো লগা-লগি হয় যদিও মুখ ফুটাই একো কব নোৱাৰে।

বিজুলী দুখীয়া পৰিয়ালৰ ছোৱালী। হাইস্কুল শিক্ষান্ত পৰীক্ষা দ্বিতীয় বিভাগত পাছ কৰিও তাই কলেজত পঢ়িব নোৱাৰিলে। তাই বুজি পায় যে খেতিৰ সীমিত উপাৰ্জনেৰে ই-মা-ন ডাঙৰ পৰিয়ালটি দেউতাকে কিমান কষ্টেৰে চলাইছে।

ৰূপমে ইতিমধ্যে বি, এ, পাছ কৰি কিছুদিনৰ কাৰণে ঘৰতে থাকে। হঠাৎ এদিন ৰূপমে বিজুলী-হঁতৰ ঘৰত উপস্থিত হোৱাত তাই আচৰিত হ'ল। বিজুলী আৰু আচৰিত হ'ল তেতিয়া ৰূপমে ক'লে,—

"বিজু, আজি খুৰাক আমাৰ ঘৰলৈ যাব ক'বা। দেউতাই মাতিছে,—কিবা দৰকাৰী কথা এটা আছে হেনো।"

ভালেখিনি সময় বিজুলীৰ লগত কথা পাতি ৰূপম গুচি গ'ল। বিজুলীৰ মন-হৃদয়ত প্ৰেমে লুকাভাকু খেলি থাকিল।

ৰূপম আৰু বিজুলীৰ বিয়াৰ পকা বন্দবস্তি হৈ গ'ল। শৈশৱৰ বগৰী-পনিয়লে নতুন ৰূপ ললে। বিয়াৰ দিন চমু চাপি অহাৰ লগে লগে মৌজাদাৰৰ ঘৰতো যেন নতুন জোৱাৰ উঠিছে। মানুহ মতাই মানুহ মাতিছে, কোনোৱে ঘৰত ৰং-তেল দিছে আৰু কোনোৱেবা পদূলি মুখৰ বন-দুবৰিকে কাটিছে। মুঠতে ঘৰখনত বি-ৰা-ট ব্যস্ততা।

বিয়াৰ দিনা মৌজাদাৰে ৰাইজক পাৰে মানে খুৱালে। ৰাইজেও হিয়া ভৰি আশীৰ্বাদ দিলে। পৰম আনন্দ আৰু শান্তি লভিলে মৌজাদাৰে।

সময় বাগৰিল। ন-বোৱাৰী বিজুলীৰ নম্ৰ-স্বভাৱ আৰু কামে মৌজাদাৰৰ মন মুহি পেলালে। ন-বোৱাৰীৰ লখিমী হাতৰ পৰশত মৌজাদাৰৰ ঘৰখনলৈ যেন নতুন বসন্তৰ আগমন হ'ল। আৰু ৰূপম ... ... ...। ৰূপমলৈ কেবাখনো

চাকৰিৰ নিয়োগ-পত্ৰ অহা সত্ত্বেও সি চহৰলৈ চাকৰি কৰিবলৈ নগৈ নিজ গাঁৱতেই স্কুল এখন আৰম্ভ কৰিলে। ৰূপমৰ এনে কাৰ্যক সকলোৱে শলাগিলে। মৌজাদাৰে নিজে দৰমহা দিয়াৰ দায়িত্ব লৈ আৰু দুজন শিক্ষক নিয়োগ কৰিলে।

ৰূপমে তাৰ জীৱনৰ নতুন নতুন পৰিকল্পনাসমূহৰ কথা বিজুলীক কয়, "জানা বিজু, মই যদি কবি হলেঁাহেঁতেন মোৰ জীৱনৰ সকলো কথা, আশা-আকাঙ্ক্ষাসমূহক আলম কৰি এটা মস্ত কবিতা লিখি তোমাক উপহাৰ দিলেঁাহেঁতেন ...।'

ৰূপমৰ কথাত বিজুলীয়ে কেৱল মিচিকিয়াই হাঁহে। তাই ৰূপমক গৰম চাহ একাপ দিলে। চাহৰ কাপত মুখ লগাই চাহ খায় ৰূপমে। বিজুলীৰ এনে দাম্পত্য জীৱনৰ সুখ-আনন্দ আৰু বেছি দিন নাথাকিল। তাই ভাবিবই পৰা নাছিল যে পূৰ্ণিমাৰ উজ্জ্বল, মিঠা পোহৰ উপভোগ কৰাৰ পিছত তাই আঁউসীৰ ঘন অন্ধকাৰৰ মুখামুখি হ'ব লাগিব। "দিন কাৰো সমানে নাযায়।" বিজুলীৰ জীৱনতো সেয়াই হ'ল।

বিয়াৰ এবছৰ পিছৰ কথা। এটা নিৰ্মম নিশা। প্ৰায় এঘাৰ বাজিছে। হঠাতে পদূলিত গাড়ীৰ শব্দ আৰু কাৰোবাৰ অস্ফুট কণ্ঠ! ...

"খট্— খট্— খট্ ... "

"কোন ... ... ?"

"দুৱাৰ খোলক ... ।"

"কিন্তু !!

"কোনো কথা নক'ব। দুৱাৰ খোলক।" দুৱাৰ খুলি মৌজাদাৰ ওলাই গ'ল। পিছে পিছে আগবাঢ়িল লগুৱা ৰঘু। বাহিৰত কথাৰ উগ্ৰা বৃদ্ধি পোৱাত ৰূপমো ওলাই গ'ল। তাৰ পিছত আগবাঢ়িল বিজুলী! হঠাৎ কেইবা জঁাই গুলীৰ শব্দ শুনা গ'ল আৰু গাড়ীখন তীব্ৰ বেগেৰে তাৰ পৰা আঁতৰি গ'ল। ৰঘুৱে প্ৰায় অচেতন অৱস্থাত মাটিত পৰি থাকি মুখেৰে বিৰ্ বিৰাই আছে— "ইমান টকা দেউতাই ক'ৰ পৰা দিব! ... ক'ৰ পৰা দিব, ইমান টকা!"

ৰ্বৰতাৰ সাক্ষী স্বৰূপে পিতা-পুত্ৰ যাত্ৰী হ'ল এখন শ্মশানৰ। ৰূপমৰ মৃত্যুৰ তিনিমাহ পিছতে বিজুলীয়ে এটি কন্যা সন্তান জন্ম দিলে। ঘৰৰ আটায়ে লগলাগি তাইৰ নাম ৰাখিলে ৰশ্মি।

★ ★ ★

বিজুলীয়ে গমেই নাপালে বাইশটা বছৰ কেনেকৈ পাৰ হৈ গ'ল। এইবাৰ ৰশ্মিয়ে এম, এ, পাছ কৰিলে। আইতাকে মৰম আৰু আনন্দত ৰশ্মিৰ গোলাপ কোমল গালত চুমা খালে। বিজুলীৰ চুলিও মাজে মাজে বৰণ সলাইছে। তাইৰ চিন্তাৰ শেষ নাই— ৰশ্মিৰ বিয়াৰ কথা লৈ। তাই ভাবে যে ৰশ্মিক দুখীয়াৰ ঘৰলৈ বিয়া দিলে জানোচা খোৱা-বোৱা, পিন্ধন-উৰণত তাইৰ কষ্ট হয়। গতিকে ধনীৰ ঘৰলৈহে তাইক বিয়া দিব। কিজানিবা তাইৰ দৰে অৱস্থা হয়! তাই আৰু ভাবিব নোৱাৰে। ইফালে সম্ভ্ৰান্ত পৰিয়ালৰ কেবাজনো ল'ৰাই বিয়াৰ প্ৰস্তাৱ লৈ তেওঁলোকৰ ঘৰলৈ আহিছে। কিন্তু তাইহে একো সিদ্ধান্ত ল'ব পৰা নাই। এনেবোৰ কথা ভাবি থাকোঁতে তাই বাতৰি কাকতখনৰ শিৰোনামা কেইটা চাবলৈ কাকতখন হাতত তুলি ললে।

হঠাতে তাইৰ চকু বৈ গ'ল "সন্ত্ৰাসবাদৰ ৰাজত্ব" শিৰোনামাটিত।

বাতৰিটো তাই পঢ়ি গ'ল। ৰাতিপুৱাই জীয়েক ৰশ্মিয়ে "ৰাজ্যিক নাৰী জাগৰণ" সমিতিৰ বাৰ্ষিক অধিবেশনলৈ যাওঁতে কৈ যোৱা কথাখিনি পুনৰবাৰ তাইৰ কাণত বাজি উঠিল।

"জানা মা, আমি আজিৰ সভাত এটা নতুন প্ৰস্তাৱ ল'ম। কেইজনমান জ্যোতিষীৰ মতে বিশ্ব সভ্যতা হেনো পাঁচশ বছৰ পিছত ধ্বংস হ'ব পাৰে যদিহে সন্ত্ৰাসবাদী কাৰ্যকলাপক বাধা দিব পৰা নাযায়। কিন্তু মা, আমি প্ৰতিজ্ঞাৱাকী গাভৰুৱে যদি পুৰুষৰ ভোগৰ সামগ্ৰীস্বৰূপ নহৈ বিয়াৰ জঞ্জালৰ পৰা আঁতৰি থাকোঁ তেন্তে নাৰীৰ মৰ্য্যাদা ৰক্ষাৰ কাৰণে হাহাকাৰ কৰিব নালাগিব। গতিকে মা, মনত ৰাখিবা,—তুমি মোৰ বিয়াৰ কাৰণে মূৰ নঘমাবা। অ, আৰু এটা কথা। আমাৰ সম্পত্তিৰ আধাখিনি সমিতিক দান কৰাৰ কথা ইয়াৰ পিছৰ সভাত তুমি ঘোষণা কৰিব লাগিব। এখন সুখ-শান্তিৰ পৃথিৱী আমাক নালাগেনে, মা?"

আজি প্ৰায় পঁচিশ বছৰ পিছত ৰশ্মিৰ কথাষাৰে তাইৰ মনটো সজীৱ আৰু মুকলি কৰি দিলে। ওপৰৰ মুক্ত, নীলিম আকাশখনলৈ তাই চাই থাকিল।

—★—

···মই কোৱা নাই যে, ধাৰ্মিকসকলৰ মাজত উচ্চতম আধ্যাত্মিক বা নৈতিক জীৱন নাছিল বা এতিয়া নাই। কিন্তু ইয়াৰ অৰ্থ হৈছে পৰলোকৰ জোখেৰে নুজুখি যদি ইহজগতৰ জোখেৰে নীতি আৰু আধ্যাত্মিকতাৰ জোখ লোৱা হয় তেতিয়াহলে ধৰ্ম প্ৰৱণতাই জাতিৰ নৈতিক আৰু আধ্যাত্মিক উন্নতিত সহায় নকৰে, বৰং বাধাহে দিয়ে। ধৰ্ম সাধাৰণতে ঈশ্বৰ বা পৰমাত্মাৰ লগত মিলিত হ'বৰ কাৰণে অনুসন্ধান আৰু ধাৰ্মিক মানুহে সমাজৰ কল্যাণতকৈ নিজৰ মুক্তি লৈয়েই বেছি ব্যস্ত থাকে। নৈতিক আদৰ্শৰ লগত সামাজিক প্ৰয়োজনৰ কোনো সম্পৰ্ক নাই। ই উচ্চ স্তৰৰ দাৰ্শনিক পাপবাদৰ ওপৰত প্ৰতিষ্ঠিত। এই কাৰণেই প্ৰণালীবদ্ধ আনুষ্ঠানিক ধৰ্ম স্বাভাৱিকতে ন্যস্ত স্বাৰ্থত পৰেগৈ আৰু সকলো ধৰণৰ পৰিৱৰ্তন আৰু উন্নতিৰ বিৰোধী শক্তিৰূপে কাৰ্য কৰি থাকে।

—জৱাহৰলাল নেহৰু

# ভিন্ন সময়

জগদীশ ৰাভা
উঃ মাঃ ২য় বাৰ্ষিক (কলা)

সিদিনা সন্ধিয়া প্ৰথিতযশা কথা সাহিত্যিক হেমন্ত বৰুৱাই কাগজ-কলম লৈ টেবুলৰ কাষত বহিল। তেওঁ কিবা লিখিব। কিন্তু তেওঁ এটা বাক্যও লিখি উলিয়াব নোৱাৰিলে। তেওঁৰ মনটো চঞ্চল আৰু বিক্ষিপ্ত হৈ পৰিছে। তেওঁ কি লিখিব একো ভাবি উলিয়াব নোৱাৰিলে। জীৱনৰ তিনি কুৰি দহটা বসন্ত পাৰ কৰি আহি আজি সন্ধিয়া হেমন্ত বৰুৱাই যেন উপলব্ধি কৰিলে যে তেওঁৰ কলমৰ চিয়াহী শুকাই গৈছে আৰু নিবটোও ভোটা হৈ গৈছে। আনকি আৰু এটা গল্পৰ জন্ম দিবলৈও তেওঁ যেন অক্ষম।

কাষৰ কোঠালিটোৰ পৰা ল'ৰা ছোৱালীৰ আনন্দ উচ্ছ্বাসৰ শব্দ পুনৰ ভাহি আহিল। সিহঁত হ'ল সাহিত্যিক হেমন্ত বৰুৱাৰেই নাতি-নাতিনী। ককাকৰ সত্তৰতম জন্ম বাৰ্ষিকী উপলক্ষে বিভিন্ন স্থানৰ পৰা সিহঁতৰ শুভাগমন আৰু বিৰাট সমাবেশ ঘটিছে।

হেমন্ত বৰুৱাই বাধা দি কৈছিল, "হেৰ, মোৰ দৰে সাধাৰণ মানুহ এজনৰ জন্ম বাৰ্ষিকী এনেদৰে উলহ-মালহেৰে পালন কৰাৰ কোনো প্ৰয়োজন নাই।" কিন্তু ককাকৰ কথা সিহঁতে নামানে। সেয়ে সিহঁতে কৈছিল, "ককা, তুমি কৈছা কি? সাহিত্যিক হেমন্ত বৰুৱাই আজি সত্তৰ বছৰত ভৰি দিলে। ই কি সাধৰণ কথা? তুমি মনে মনে থাকা। আমি ইতিমধ্যে সকলোখিনি আয়োজন কৰিছোঁৱেই।" শেষ পৰ্য্যন্ত তেওঁ এই অনুষ্ঠানত অনিচ্ছাকৃতভাবে হলেও মত দিবলৈ বাধ্য হৈছিল।

অনুষ্ঠানত আলহী-অতিথি সৎকাৰৰ সম্পূৰ্ণ ব্যৱস্থা সমাপ্ত কৰি সিহঁত নিজৰ ভিতৰতে গল্প গুজৰত মত্ত হৈছিল। গোটেই দিন সিহঁতৰ পৰিশ্ৰমো কম হোৱা নাছিল। বন্ধু-বান্ধৱ, আত্মীয় স্বজনো আহিছিল বহুতো। লগতে আৰু আহিছিল সাহিত্যিক বৰুৱাৰ লগত ঘনিষ্ঠভাবে জড়িত কেইজনমান গণ্য-মান্য লোক। গোটেই দিন ভোজৰ আয়োজন চলিছিল।

হেমন্ত বৰুৱাই পুনৰ লিখিবলৈ যত্ন কৰিলে। কিন্তু তেওঁ কেনেকৈ লিখিব? অতীতৰ সকলো স্মৃতি আহি তেওঁৰ মন থকা-সৰকা কৰি দিলে। অন্ততঃ পঞ্চাছ বছৰ আগৰ স্মৃতি। অথচ আজিও সেই স্মৃতি তেওঁৰ মানসপটত স্পষ্ট হৈ আছে। তেওঁৰ মনে অতীতৰ স্মৃতিচাৰণ কৰিব ধৰিলে। তেতিয়া আছিল ১৯৪৩ চন। বৰুৱাৰ বয়স আছিল মাত্ৰ কুৰি বছৰ। কুৰি বছৰীয়া চফল ডেকা আছিল তেওঁ। মাত্ৰ কুৰি বছৰ বয়সতে তেওঁৰ বিয়া হৈছিল। বৰুৱাৰ পত্নী নীলিমা আছিল ৰূপে-গুণে

বিভূষিতা এগৰাকী সু-বোৱাৰী। সকলোকে অতি কম সময়ৰ ভিতৰতে আপোন কৰি ল'ব পৰা গুণ আছিল তেওঁৰ। শহুৰ-শাহু, ওচৰ-চুবুৰীয়া সকলোৱে তেওঁৰ গুণ বখানিছিল।

আঠৈকুৰি বছৰ পাৰ হ'ল। এইখিনি সময়তে বহুতো উত্থান-পতন ঘটিছে এই পৃথিৱীৰ মানৱ সমাজৰ। কিন্তু আজি! আজি অতীতৰ সকলো কথা বাৰে বাৰে বৰুৱাৰ মনলৈ আহিব ধৰিলে। কাগজ-কলম সন্মুখতে পৰি ৰল। এটা বাক্যও তেওঁ লিখিব নোৱাৰিলে।

ইপিনে কাষৰ কোঠালিৰ আনন্দ উচ্ছ্বাসৰ শব্দ ক্ৰমাৎ বেছি হৈছে। হঠাৎ হেমন্ত বৰুৱাৰ কাণত পৰিল বীণাৰ কণ্ঠস্বৰ। তাই কৈছিল, হেৰ, ৰণিত তই চাহেনশ্বা চাইছ?" বীণা হেমন্ত বৰুৱাৰ ডাঙৰ ল'ৰা মিলনৰ একমাত্ৰ ছোৱালী। তাই এইবাৰ স্নাতক চূড়ান্ত বৰ্ষৰ ছাত্ৰী।

ৰণিত হ'ল বৰুৱাৰ ডাঙৰ ছোৱালী অনুপমাৰ ল'ৰা। ৰণিতে উত্তৰ দিলে, হেৰ, জানাইতো এই অধমে অমিতাভ থকা ফিল্ম চোৱা বন্দ নিদিয়ে।"

হেমন্ত বৰুৱাৰ মনত পৰিল অতীতৰ কথা। এদিন নীলিমাই তেওঁক প্ৰশ্ন কৰিছিল— 'তুমি নেতাজীৰ আহ্বান শুনিছা?"

"শুনিছোঁ।" —উত্তৰ দিছিল হেমন্ত বৰুৱাই। আচলতে সেই সময়ত শৰীৰত তেজ থকা সকলোৱে নেতাজীৰ আহ্বান শুনিছিল। এদিন ভাৰতবাসীয়ে স্বাধীনতা পালে। পৰাধীন ভাৰতবাসী স্বাধীন হ'ল। কিন্তু দৰিদ্ৰ নাতৰিল। দেশৰ স্বাধীনতা অনাত যিসকলে তেজ দিলে সেইসকলক বঞ্চিত কৰি এদল সুবিধাবাদীয়ে ললে ক্ষমতাৰ বাঘজৰী। যি সততা আৰু ন্যায় ভাৰতবাসীৰ মেৰুদণ্ড স্বৰূপ আছিল সেই সততা আৰু ন্যায়ৰ একান্ত অভাৱ দেখা গ'ল। মানুহ অৰ্থলোভী হ'ল আৰু অৰ্থৰ পিছে পিছে ল'ৰা-ঢপৰা কৰিব ধৰিলে। ভৱিষ্যতৰ বংশধসকলে আলাসতে ধন ঘটাৰ নতুন নতুন কৌশল উলিয়ালে। তেওঁলোকে বিপ্লৱৰ নামত নানা সমাজবিৰোধী কামত লিপ্ত হ'ল। চিনেমাৰ নায়ক-নায়িকাৰ সংলাপসমূল ফৰ্ ফৰাই ক'ব পৰা হ'ল। তেনেহলে কোনফালে আগবাঢ়িছে আমাৰ যুৱ সমাজ? এই প্ৰশ্নৰ মায়াজালে বৰুৱাৰ মন আচ্ছন্ন কৰি পেলালে।

কাষৰ কোঠালিটোত আলোচনা চলিছে পূৰ্ণোদ্যম—

"মই ভাবো মেৰিলিন মনৰোতকৈ মেডোনা বহুত বেছি চেক্সী আৰু এট্ৰাক্‌ভ্।"

চমকি উঠিল হেমন্ত বৰুৱা। তেওঁ এয়া কাৰ কণ্ঠস্বৰ ধৰিব নোৱাৰিলে। তেওঁনো কি শুনিছে এইবোৰ? যাৰেই নহওক লাগে সিহঁত দেখোন ভাই-ভনী- অথচ সিহঁতৰ মাজত, এনে আলোচনা কোনোপধ্যেই সু-ৰুচিসম্পন্ন বুলি ক'ব নোৱাৰি।

হেমন্ত বৰুৱা পুনৰ চিন্তা সাগৰত বুৰ গ'ল। কিন্তু তেওঁ চিন্তা কৰি পাৰ নাপালে। সেয়ে তেওঁ নিজকে প্ৰশ্ন কৰিলে "নাতি নাতিনীহঁতৰ এনে আলোচনাত তেওঁ কৰ্ণপাত কৰা উচিত হবনে? সিহঁতে কি নাজানে যে সিহঁতৰ ককা কাষৰ কোঠালিটোতে আছে!"

এটা দীৰ্ঘশ্বাস ওলাই আহিল বৰুৱাৰ বুকু

ভেদি। দিনকাল সলনি হৈছে! কিন্তু এয়া অগ্ৰগতি নে অধোগতি? হয়তো ভুল হৈছে হেমন্ত বৰুৱাৰ—ভুল হৈছে পুৰণি ধ্যান-ধাৰণাৰ।

বৰুৱাৰ মনত পৰিল পাঁচ বছৰ আগৰ কথা এটা। তেওঁ যোৰহাটলৈ গৈছিল সাহিত্য সভাৰ ভাগ লবলৈ। সহযাত্ৰী এক বৃদ্ধৰ লগত আলোচনা হৈছিল যুৱবয়সৰ ৰোমাঞ্চকৰ অভিজ্ঞতাৰ বিষয়ে। অতীত আৰু বৰ্তমানৰ অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক আদি দিশত কিমান পাৰ্থক্য—সেই বিষয়েও তেওঁলোকৰ আলোচনা হৈছিল। তেওঁলোকৰ আলোচনাত বিৰক্ত হৈ পিছপিনে থকা কেইজনমান ডেকা ল'ৰাই কৈয়ে পেলালে, 'আবে জামানা বদল হ গৈয়া।"

খং কৰা নাছিল বৰুৱাই। খং কৰিনো কি লাভ হ'ব? সময়ৰ পৰিবৰ্তন হৈছে। পৰিবৰ্ত্তন হৈছে মানুহৰ মনবো! সেয়ে আক্ষেপ কৰিও লাভ নাই।

'ঢং ঢং, ঢং'। ন বজাৰ শব্দ। এই সময় সংকেতে বৰুৱাক সচেতন কৰি দিলে। বাকী থাকিল আৰু মাত্ৰ এঘন্টা সময়। সেয়ে তেওঁ কিবা লিখিবলৈ যত্ন কৰিলে। কিন্তু—কি লিখিব?

আবেলি বৰুৱাৰ নাতি-নাতিনীহঁতে বৰুৱাক কৈছিল যে তেওঁ প্ৰেমৰ গল্প এটা লিখি সিহঁতক উপহাৰ দি আজিৰ দিনটো স্মৰণীয় কৰি ৰাখিব লাগে। ককাকেও চৰ্ত দিছিল যে দহ বজাৰ আগতে তেওঁক যাতে কোনেও দিগদাৰ নিদিয়ে আৰু তেতিয়া হ'লে গল্প এটা লিখি সিহঁতক সেইটো উপহাৰ দিব পাৰিব।

কিন্তু গল্প আৰু তেওঁৰ লিখা নহ'ল। আৰু মাত্ৰ এঘন্টা সময় বাকী থকা সত্ত্বেও তেওঁ গল্প লিখিবলৈ এটা শব্দও লিখিবলৈ নোৱাৰিলে। কেৱল বাৰে বাৰে তেওঁৰ মনৰ পৰ্দাত ভাহি উঠিল দুখন ভিন্ন সময়ৰ ছবি—এখন অতীতৰ বিবৰ্ণ এল্‌বাম আৰু আনখন নিদাৰুণ বৰ্তমান অৱক্ষয়ৰ দৃশ্যমান চলচ্চিত্ৰ।

তেওঁ কলমটো টানকৈ ধৰিলে। লিখিবলৈ গৈ তেওঁ দেখিলে যে আজি দহবছৰ আগতে স্বৰ্গী হোৱা তেওঁৰ পত্নী নীলিমা আহি তেওঁৰ সন্মুখত থিয় হৈছে। কিন্তু আজি তেওঁৰ চকু মুখত হেমন্ত বৰুৱাক গল্প লিখাৰ উৎসাহ-উদ্দীপনা যোগোৱাৰ আকুতিৰ কোনো চিন নাই।

কিন্তু কিয় আহিছে বাৰু নীলিমা? বৰুৱা চঞ্চল হৈ পৰিল। তেতিয়া হ'লে নীলিমাই বাৰু বুজি পাইছে নেকি যে এই পৃথিৱীত তেওঁৰ স্বামী কি-মা-ন নিঃসঙ্গ!

হেমন্ত বৰুৱাই চকীৰ পৰা উঠিব খুজিলে। কিন্তু তেওঁ হঠাতে তেওঁৰ বুকুৰ ভিতৰত এক তীব্ৰ বিষ অনুভৱ কৰিলে আৰু মজিয়াতে তেওঁ হামখুৰি খাই পৰি গ'ল।

ঢং—ঢং—ঢং—ঘড়ীয়ে দহ বজাৰ সময় সংকেত দিলে। বন্ধ হ'ল কাষৰ কোঠালিৰ কোলাহল। সিহঁত উপস্থিত হ'ল বৰুৱাৰ কোঠালিৰ দুৱাৰ মুখত। ভিতৰলৈ সোমোৱাৰ অনুমতি বিচাৰিলে সিহঁতে। কিন্তু ককাকৰ কোনো সঁহাৰি নাপালে। উদ্বিগ্ন হৈ সিহঁত দুৱাৰ ঠেলি ভিতৰত প্ৰৱেশ কৰিলে। ভিতৰত সোমাইয়ে সকলো স্তব্ধ হৈ গ'ল। ককা মজিয়াতে পৰি আছে। অদূৰত পৰি আছে তেওঁৰ চছমাযোৰ! সকলো যেন ওলট-পালট হৈ গ'ল!

ডাক্তৰ অনা হ'ল। পাল্‌ছ পৰীক্ষা কৰি ডাক্তৰে ক'লে, sorry,-- বহুত পলম হ'ল ... ... ... !"

# এখন চিঠি

বিপুল বৈশ্য
২য় বাৰ্ষিক স্নাতক

মৰমৰ মেঘালী,

আন্তৰিক মৰম লবা। আশাকৰোঁ, তোমাৰ ভাল। পিছে, আজি সম্পূৰ্ণ আঠ বছৰৰ পিছত তোমালৈ চিঠি এখন লিখিবলৈ কাপ হাতত ললোঁ। এই আঠ বছৰে তোমাৰ পৰা মই ভালেকেইখন চিঠি পাইছিলোঁ। কিন্তু উত্তৰ-স্বৰূপে মই তোমালৈ এখনো চিঠি লিখা নাছিলো। তাৰ বাবে তুমি মোক খং কৰিছিলা। তথাপি মই নিমাত হৈ আছিলোঁ। নিমাত হৈ থকাৰ কাৰণ আজি মই তোমাক কম।

মেঘালী, এইখন বাস্তৱ পৃথিৱী। এই পৃথিৱীত সকলোৱে নিজ নিজ কামত ব্যস্ত। সেয়ে ব্যস্ততাৰ মাজত থাকিলেও তুমি অকণমান সময় খৰচ কৰি মোৰ কথাখিনি নিশ্চয় পঢ়িবা। মই জানোঁ তুমি এতিয়া এগৰাকী শিক্ষয়িত্ৰী। সেয়ে তোমাক বুজাবৰ শক্তি মোৰ নাই। তুমি চাকৰিটো পোৱাৰ আনন্দত মোলৈ লিখা চিঠিখন মই পাইছোঁ। তোমালৈ মই অভিনন্দন জ্ঞাপন কৰিছোঁ। তুমি মোক তোমাৰ তালৈ যাবলৈ অনুৰোধ কৰিছিলা। সেই অনুৰোধ মই ৰাখিব নোৱাৰিলোঁ। তাৰ বাবে তুমি মোক বেয়া পাবা বুলি মই জানোঁ।

মেঘালী, তুমি মোক বাৰে বাৰে প্ৰশ্ন কৰিছিলা ঘৰত মোৰ আৰু কোন কোন আছে বুলি। কিন্তু তোমাক এই প্ৰশ্নৰ উত্তৰ মই দিয়া নাছিলোঁ; বৰং ঘৰুৱা শিক্ষক হিচাপে তুমি তোমাৰ পঢ়াৰ প্ৰতি মনোযোগ দিব লাগে বুলি তোমাক কৈছিলোঁ। মোৰ বিষয়ে এনেকৈ মোৰ বহুতো কথা কেৱল তোমাৰ পৰাই নহয়, তোমাৰ মাৰাৰ পৰাও লুকুৱাই ৰাখিছিলোঁ। তোমাৰ মাৰায়ো ঠিক তোমাৰ দৰে মোক সেই একে প্ৰশ্নই কৰিছিল এদিনাখন। সিদিনা তুমি ঘৰত নাছিলা। খুব সহজভাবে তোমাৰ মাৰাক মই মোৰ কোনো নাই বুলি কৈছিলোঁ। আজি মই তোমালোকক মোৰ আচল কথা নোকোৱাত নিজকে দোষী বুলি ভাবিবলৈ বাধ্য হৈছোঁ। মোৰ প্ৰকৃত পৰিচয় তোমালোকৰ পৰা লুকুৱাই ৰখাত মই সঁচাকৈয়ে অনুতপ্ত।

মেঘালী, মই আচলতে দুখীয়া ঘৰৰ ল'ৰা। দেউতা আছিল এজন বৰ কৰ্মী মানুহ। আমাৰ নিজা খেতিৰ মাটি নথকাত আনৰ ঘৰত হাজিৰা কাম কৰি জীৱিকা নিৰ্বাহ কৰিছিল। পিছে, এটি কথা। আমাৰ খেতিৰ মাটি প্ৰথমতে অলপ আছিল। কিন্তু এবাৰ মাৰ টান নৰিয়া হোৱাত দেউতাই চিকিৎসাৰ কাৰণে টকাৰ দৰকাৰ হোৱাত

মাটিখিনি বন্ধকত থৈ ধনীৰাম মহাজনৰ পৰা কিছু টকা ধাৰে লৈছিল। দুৰ্ভাগ্যক্ৰমে ঠিক সময়ত টকা পৰিশোধ কৰিব নোৱাৰাত মহাজনে টকাৰ বিনিময়ত মাটিখিনিকে ললে। সেয়ে দেউতাই মাটিখিনিকো হেৰুৱালে। দুখীয়াৰ দুখৰ অন্ত নাই!

পৰিয়ালত আমি আছিলোঁ চাৰিজন—মা, দেউতা, মই আৰু ভনী তৰালী। আমি ডাঙৰ হৈ অহাৰ লগে লগে দেউতাই ক্ৰমে বৃদ্ধ হৈ আহিল। আনহাতে বস্তু বাহানিৰ দাম বাঢ়ি অহাৰ লগে লগে দেউতাই কাম কৰি পোৱা মজুৰিৰে আমাক পোহপাল দিয়া টান হৈ পৰিল। বয়স বাঢ়ি অহাত দেউতাই টান কাম কৰিবলৈও অক্ষম হ'ল। মাজে সময়ে ময়ো দেউতাকৰ লগত কামত ওলাওঁ। কিন্তু শুকান বালিক জানো পানীৰে তিয়াব পাৰি! দুয়োৰে মজুৰিৰেও আমাৰ পৰিয়ালৰ কাৰণে যথেষ্ট নহয়। দেউতাই আকৌ মোক কাম কৰিব দিব টান পাইছিল। মোক লৈ দেউতাই সুন্দৰ ভৱিষ্যতৰ সপোন দেখিছিল। কিন্তু মোৰ দুৰ্ভাগ্য যে মই সেই সপোন দিঠকত পৰিণত কৰিব নোৱাৰিলোঁ।

অৱশ্যে দেউতাৰ আশা পূৰণৰ অৰ্থে মই মন দি পঢ়া-শুনা নকৰা নহয়। মই তেতিয়া আছিলোঁ দশম শ্ৰেণীৰ ছাত্ৰ। কষ্ট কৰি কিছু টকা সাঁচি দেউতাই মোৰ কিতাপ-পাতিৰ যোগান ধৰিছিল। পৰিয়ালটোক চলাবৰ কাৰণে দেউতাই কঠোৰ কঠোৰ পৰিশ্ৰম কৰিব লগা হ'ল। কঠোৰ পৰিশ্ৰমৰ কাৰণে দেউতাৰ স্বাস্থ্য ক্ৰমাৎ ভাগি গ'ল। দেউতাৰ। অসুখ হ'ল আৰু এদিন আমাৰ সকলোকে কন্দুৱাই দেউতাই চিৰদিনৰ কাৰণে ইহসংসাৰৰ পৰা বিদায় ললে। তেতিয়া মোৰ পৰীক্ষালৈ আৰু কেইদিনমানহে বাকী আছিল। দেউতাৰ অবিহনে মোৰ চকুৰ আগত মই কেৱল অন্ধকাৰ দেখিলোঁ। ঘৰখনৰ দায়িত্ব পৰিল মোৰ ওপৰত। একালে আমি তিনিও জীয়াই থকাৰ সংগ্ৰাম আৰু আনফালে মোৰ পৰীক্ষা। তাতে আকৌ ভনীজনী ডাঙৰ হৈ আহিছে। চিন্তাত মোৰ মূৰ ঘূৰি যোৱা যেন পালোঁ। পৰীক্ষা দিয়াৰ আশা বাদ দিলোঁ।

কিন্তু তৰালী !! তাইৰ বিষয়ে মই চিন্তা কৰিলোঁ। সঙ্কল্প কৰিলো যে তাইৰ জীৱনৰ ৰঙীন আশা পূৰণ কৰাত মই সহায় কৰিম। তাইক মই টকা-পইচা খৰচ কৰি পঢ়ুৱাম। সেয়ে দিনত আনৰ ঘৰত কাম কৰি পোৱা পইচাৰে মই পৰিয়ালটি চলোৱাৰ উপৰিও তাইৰ পঢ়া-শুনাৰ খৰচ পাতিও মই বহন কৰিবলৈ ধৰিলোঁ।

জানা, মেঘালী, তৰালীৰ উঠি অহা জীৱনত যাতে দুখৰ ছাঁ নপৰে তাৰ বাবে মই সকলো কষ্ট স্বীকাৰ কৰিলোঁ। আন ছোৱালীৰ লগত সমানে খোজ মিলাই যাব পৰাকৈ তাইৰ মই সকলো প্ৰয়োজনীয় বস্তুৰ যোগান ধৰিলোঁ। কিন্তু তৰালীয়ে মোৰ হাড়ভগা পৰিশ্ৰমৰ মোল বুজিবলৈ চেষ্টা নকৰিলে। তাইক লৈ মই কৰা মোৰ সকলো আশা তাই চূৰমাৰ কৰিলে। যৌৱনৰ বাটত তৰালী উদ্বাউল হৈ পৰিল। উদ্দাম যৌৱনৰ বাটৰ পৰা তৰালীক ঘূৰাই আনিবৰ বাবে মই আপ্ৰাণ চেষ্টা কৰিছিলোঁ। কিন্তু মই সেই চেষ্টাত ব্যৰ্থ হলোঁ; বৰং তাৰ বাবে মই পাইছিলোঁ তাইৰ কৰ্কশ মাত আৰু বেয়া ব্যৱহাৰ। তাই

কৈছিল যে তাইক শাসন কৰাৰ মোৰ কোনো অধিকাৰ নাই। তাইৰ নিজৰ পথ হেনো তাই নিজে বাছি ল'ব। তৰালীৰ এনে অবাঞ্ছিত কথা আৰু আচৰণে মোৰ মনত বৰ আঘাত দিলে। খঙত মোৰ সোঁহাতখন তাইৰ গালত জোৰে পৰিল। সিদিনা তাই খুউব কান্দিছিল আৰু কিবাকিবি বকি আছিল। তাৰ বাবে মায়ে মোক বৰ বেয়াকৈ গালি পাৰিছিল।


জানা মেঘালী, সিদিনা মোৰ অতি মৰমৰ ভনী তৰালীক হাতেৰে আঘাত কৰি মোৰ সঁচাই বৰ বেয়া লাগিছিল। মই মোৰ মনৰ শান্তি হেৰুৱাই-ছিলোঁ। কিন্তু ভাবিছিলোঁ যে তৰালী ভালৰ পিনে ঢাল খাব। তাইৰ মনৰ ভাল পৰিবৰ্তন হ'ব নিশ্চয়। নাই—তাই ভাল নহ'ল। তৰালীক লৈ কৰা মোৰ আশাৰ বন্তি গছি নিৰ্বাপিত হ'ল।

অনুভৱ হ'ল জীৱন যুদ্ধত মই কেৱল পৰাজয় বৰণ কৰিবলগীয়া হৈছে। মোৰ জীৱনৰ বাট কেৱল কাঁইটেৰে পৰিপূৰ্ণ। মোৰ মনক নানা ধৰণৰ চিন্তাই বেৰি ধৰিলে। মনৰ শান্তি নাইকিয়া হ'ল। ভাবিলোঁ ঘৰ এৰি ক'ৰবাত অকলে থাকিলে নিশ্চয় শান্তি পাম। সেয়ে মেঘালী, এদিন মই গোপনে ঘৰ এৰি এইখন সৰু চহৰতে থাকিবলৈ ললোঁ। পূজনীয়া মা আৰু ভনী তৰালীক এৰি আহি মই নিজকে বৰ নিষ্ঠুৰ বলি ভাবিলোঁ। কিন্তু মই নিৰুপায়!

প্ৰথমতে চহৰখনত থাকি মোৰ ভাল লগা নাছিল। পিছত অৱশ্যে লাহে লাহে ভাল লগা হৈ আহিল। দুটা টিউচন্ মই ঠিক কৰিলোঁ। এইদৰে এই সৰু চহৰখনত মই দিন নিয়াব ধৰিলোঁ। কেতিয়াবা মোৰ এই দুৰ্ভগীয়া জীৱনটোৰ ওপৰত মোৰ বিতৃষ্ণা আহে। মৰিবৰ মন যায়। পিচ মুহূৰ্ততে কবিতা এফাকিলৈ মনত পৰি যায়—"মৰিতে চাহিনা এই সুন্দৰ ভূৱনে।" যিহওক এইদৰে এবছৰ পাৰ হৈ যোৱাৰ পিছত দ্বিতীয় বছৰত মই বহুতোৰে ঘৰুৱা শিক্ষক হৈ পৰিলোঁ। এনেকৈ কঠোৰ সংগ্ৰাম কৰি মই মোৰ জীৱনৰ বাটত খোজ দিছোঁ। আজি আঠ বছৰ পাৰ হ'ল। এই কেইবছৰে মই ঘৰৰ লগত অকণো সম্পৰ্ক ৰখা নাই। মাৰ কথা বাৰকৈয়ে মোৰ মনলৈ আহে। মায়ে কিজানি দৰিদ্ৰতাৰ লগত সংগ্ৰাম কৰি কৰি কেতিয়াবাই ইহসংসাৰৰ পৰা বিদায় মাগিছে। আৰু তৰালী? ...তাই কিজানি তাইৰ জীৱন যুদ্ধত হাৰ মানি মোলৈ বাট চাই আছে। মা যদি জীয়াই আছে তেন্তে তেওঁ কিজানি মোৰ কথা চিন্তা কৰি দিন নিয়াইছে। মোৰ মন পখিলাই কেতিয়াবা মাৰ সান্নিধ্যলৈ উৰা মাৰে। মই যে তেওঁক বহুদিন দেখা নাই! কিন্তু মেঘালী, মোৰ যে বহুত পলম হ'ল। মা জানো এই সংসাৰত এতিয়াও জীয়াই আছে!!! আৰু তৰালী! নাজানোঁ তাইৰ কি অৱস্থা হৈছে! জীৱনত মই যে ডাঙৰ ভুল কৰিলোঁ। মই নিজকে বৰ স্বাৰ্থপৰ আৰু নিষ্ঠুৰ বুলি ভাবিবলৈ বাধ্য হৈছোঁ।

মেঘালী, মই আৰু বেছি নিলিখোঁ। এতিয়া পশ্চিম আকাশত বেলি মাৰ গৈছে। আকাশত দুই এটি তৰা দেখা গৈছে। ইমানপৰ মাথোন মোৰ কথাই কলোঁ। বেয়া নাপাবা। কেতিয়াবা সময় হ'লে তোমালোকৰ তালৈ গৈ ওলাম। ☆

পুনৰ মৰমেৰে—
ইতি—
বিকাশ



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

আৰম্ভণিতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৩-৯৪ চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ পদত মোক অধিষ্ঠিত কৰি মহান অনুষ্ঠানটিলৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়া বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সম্পাদকীয় প্ৰতিবেদনখন লিখিবলৈ লোৱাত মই অলপ থমকি ৰ'ব লগা হৈছে। সম্প্ৰতি সাম্প্ৰদায়িক সংঘৰ্ষৰ জুইকুৰাই আমাৰ দেশৰ আকাশ-বতাহ উত্তপ্ত কৰি তুলিছে। স্বীকাৰ্য্য যে এই সংঘৰ্ষই সভ্যতাৰ টিংখাপত আৰোহণ কৰা জীৱ শ্ৰেষ্ঠ মানুহক পুনৰ্বাৰ সেই আদিম অৱস্থালৈ ঠেলি নি জন্তু আৰু মানুহৰ মাজত কোনো প্ৰভেদ নথকা কৰি দিলে। এনে পৰিপ্ৰেক্ষিতত মানুহ সভ্য বুলি কোৱা নিৰৰ্থক। আনহাতে মানুহৰ সংস্কৃতিও হৈ পৰে পঙ্গু। এই সাম্প্ৰদায়িক সংঘৰ্ষ জাতি-বৰ্ণ নিৰ্বিশেষে সকলোৰে বাবে এটা অভিশাপ। এই অভিশাপ আমাৰ উত্তৰ পুৰুষৰ উজ্জ্বল ভৱিষ্যতৰ বুকুত এক কুঠাৰাঘাত স্বৰূপ বুলিও ক'ব পাৰি। এনে অৱস্থাত বহুতো প্ৰশ্ন মনলৈ আহে। দেশৰ জনসাধাৰণৰ মাজত আজিও কিয় জাতিগত বিৰোধ! এনে ক্ষেত্ৰত কাৰো একো কৰিব লগা নাই নেকি? যদি আছে, তেন্তে কিয় সকলোৱে নীৰৱ! ভয়, আশঙ্কাত ক'বলগীয়া কথাখিনিও ক'বলৈ যেন কোনেও সাহ কৰা নাই। অপ্ৰিয় সত্য হলেও ক'ব লাগিব যে আজি আমাৰ সকলোৰে মাজত সম্প্ৰীতি আৰু আন্তৰিকতাৰ অভাৱ পৰিলক্ষিত হৈছে। ক্ৰমান্বয়ে ইজনৰ পৰা সিজনে আঁতৰি গৈ আছে। ফল স্বৰূপে জগতত ইতিহাসে ঢুকি নোপোৱা, কদৰ্য ঘটনাসমূহ সংঘটিত হ'ব ধৰিছে। এনে ঘটনা সমূহে সমাজত কু-প্ৰভাৱ পেলোৱাৰ উপৰিও সুস্থ শৈক্ষিক পৰিবেশকো বিনষ্ট কৰে। এনে পৰিস্থিতিৰ অৱসান ঘটাই সমাজক সুপথেদি লৈ যোৱাৰ দায়িত্ব বহন কৰিব লাগিব দেশৰ বুদ্ধিজীৱীসকল আৰু ছাত্ৰ সমাজে। ইয়াৰ বাবে লাগিব আমাৰ সকলোৰে সংযত বিবেক, সেৱাৰ মনোভাব আৰু আমাৰ মাজত একতা। উল্লেখ যোগ্য যে ৰাজনৈতিক কূট-কৌশলৰ বশৱৰ্তী হৈ এচামে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ মাজত থকা খিলঞ্জীয়া মিলা-প্ৰীতিত কুঠাৰাঘাত কৰি খণ্ডিত